**সত্য বনাম অসত্য - ২০০২ চনৰ গুজৰাটত হোৱা জাতীয় হিংসাৰ কাহিনী**

অৰুণ জেটলী

ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

এগৰাকী শিক্ষাবিদ আৰু কাৰ্য্যকৰ্ত্তা মধু পূৰ্ণিমা কিশ্বৰে লিখা মাৰাঠী সংস্কৰণৰ কিতাপ 'মোডীনামা' ৰ উন্মোচনৰ বাবে ৪ জানুৱাৰী ২০১৪ তাৰিখে মোক পুণে আহিব'লৈ নিমন্ত্ৰণ জনাইছিল । মধু কেতিয়াও বি জে পি ৰ সমৰ্থক নাছিল । মোৰ যিমান দূৰ মনত আছে পূৰ্বতে তেওঁ এগৰাকী সমালোচকহে আছিল । কিতাপখনৰ ইংৰাজী আৰু হিন্দী সংস্কৰণ এতিয়াও মুক্তি পোৱা নাই । পুণেৰ বিনীত কুবেৰে ইয়াৰ মাৰাঠী সংস্কৰণ ছপা কৰি উলিয়াইছে । লেখকৰ বহু মাহৰ অনুসন্ধানৰ ভিত্তিতহে কিতাপখন প্ৰকাশ পাইছে । এই কিতাপখনত তেওঁ ২০০২ চনৰ জাতীয় হিংসাৰ ওপৰত জনসাধাৰণৰ পৰা লোৱা ভাষ্য সমূহৰ উল্লেখ কৰিছে । উন্মোচনী অনুষ্ঠানত নিজৰ বক্তব্য দাঙি ধৰোতে মই বহুতো প্ৰশ্নৰ কথা উল্লেখ কৰিছো যাৰ জৰিয়তে ২০০২ বৰ্ষৰ জাতীয় হিংসাৰ বাবে শ্ৰীযুত নৰেন্দ্ৰ মোডীক দোষী সাব্যস্তৰ চেষ্টা কৰা হৈছিল । লগতে কৈছিলো যে যিহেতু সকলো চেষ্টা অসত্যৰ ওপৰত নিৰ্ভৰশীল আছিল সেই বাবে শ্ৰীযুত নৰেন্দ্ৰ মোডীৰ বিৰুদ্ধে একো প্ৰমাণ দিব নোৱাৰিলে ।

মোৰ বক্তব্যৰ মূল তিনিটা গুৰুত্বপূৰ্ণ কথা আছিল -

**প্ৰথমতে - সৰৰমতী এক্সপ্ৰেছ ৰেলগাড়ীত কোনে জুই লগাইছিল -**

প্ৰথম দিনাই এইয়া স্পষ্ট হৈ গৈছিল যে এটি সমুদায়ৰ কেইজনমান সদস্যইহে গোধৰা ট্ৰেইন ষ্টেচনত ৰৈ থকা সৰৰমতী এক্সপ্ৰেছৰ কম্পাৰ্টমেন্ট নং ৬ ত অগ্নি সংযোগ কৰিছিল । প্ৰথমতে এই গুচৰৰে অনুসন্ধান গুজৰাট পুলিচে কৰিছিল আৰু পাছত এই বিষয়টো উচ্চতম ন্যায়ালয়ৰ দ্বাৰা গঠন কৰা এচ আই টি লৈ স্থানান্তৰিত কৰা হৈছিল । এচ আই টি ৰ অনুসন্ধানৰ ভিত্তিত এই গুচৰৰ বিচাৰ সমাপ্ত কৰি দিয়া হয়, তেওঁলোকৰ প্ৰতিবেদনৰ মতে এই কাণ্ডৰ এদিন পূৰ্বে গোধৰাত এখন বৈঠক কৰা হৈছিল । কিছুমান গাড়ীৰ জৰিয়তে তেল ৰেলৱে ষ্টেচনলৈ পৰিবহন কৰা হৈছিল । সৰৰমতী এক্সপ্ৰেছৰ ৬ নং কম্পাৰ্টমেন্ট প্ৰথমে বাহিৰৰ পৰা বন্ধ কৰি দিয়া হৈছিল যাতে কোনো বাহিৰলৈ ওলাই আহিব নোৱাৰে আৰু তাৰ পাছতেই অগ্নি সংযোগ কৰি দিয়া হৈছিল ।

সংবাদ মাধ্যমৰ এটা অংশ আৰু কিছুমান বেচৰকাৰী সংগঠনৰ চলপূৰ্ণ চেষ্টাৰ জৰিয়তে প্ৰমাণিত কৰিব বিচাৰিছিল যে অগ্নি বাহিৰৰ পৰা নহয়, কম্পাৰ্টমেন্টৰ ভিতৰতহে লাগিছিল । গুচৰৰ বিচাৰ সমাপ্ত হোৱাৰ পাছত বহুতো লোকক হত্যা, হিংসা আৰু ষড়যন্ত্ৰ কৰাৰ বাবে দোষী সাব্যস্ত কৰা হৈছিল । এই ৰায়ৰ বিৰুদ্ধে কৰা আবেদন এতিয়াও মাননীয় আদালতৰ ওচৰত পৰি আছে । ইমানবোৰ তথ্য থকা স্বত্বেও তেতিয়াৰ ৰেল মন্ত্ৰী শ্ৰীযুত লালু প্ৰসাদ য়াদৱ, এজন ভাৰপ্ৰাপ্ত ন্যায়ধীশৰ অধ্যক্ষতাত এখন কমিটি গঠন কৰি কমিটিৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছিল যে ৰেলত অগ্নি ভিতৰতহে সংযোগ কৰা হৈছিল । জনসাধাৰণৰ বাবে এই প্ৰতিবেদনৰ কোনো বিশ্বাসযোগ্যতা নাছিল । মাননীয় আদালতৰ ৰায়েও এইয়াই প্ৰমাণিত কৰে যে সেই প্ৰতিবেদনৰ সকলো তথ্য অসত্যতাৰে পৰিপুৰ্ণ আছিল ।

ভুল প্ৰচাৰে এইয়া প্ৰতিষ্ঠা কৰিছিল যে হিন্দু ধৰ্মী লোকে কম্পাৰ্টমেন্টত অগ্নি সংযোগ কৰিছিল আৰু ইয়াৰ উত্তেজনাই গুজৰাটত হিংসাৰ সৃষ্টি কৰিব ।

**দ্বিতীয়তে - মোডীয়ে সাক্ষাৎকাৰত দিয়া প্ৰতিক্ৰিয়া কেতিয়াও উল্লেখ কৰা নহ'ল**

**গুজৰাট ৰাজ্যত সৃষ্টি হোৱা হিংসাৰ বাবে নৰেন্দ্ৰ মোডীক জগৰীয়া কৰি মাৰ্চ ২০০২ ৰ প্ৰথম সপ্তাহত এখন আগশাৰীৰ খবৰ কাকতে মোডীৰ বিৰুদ্ধে এটি ভুল সাক্ষাৎকাৰ তেখেতে দিয়া বুলি প্ৰকাশিত কৰে । সেই সাক্ষাৎকাৰৰ মতে মোডীয়ে কৈছিল যে - প্ৰত্যেক ক্ৰিয়াৰ বিপৰীত প্ৰতিক্ৰিয়া থাকে আৰু গোধৰা কাণ্ডৰ পাছত সৰৰমতী এক্সপ্ৰেছ কাণ্ড ইয়াৰ প্ৰতিক্ৰিয়াহে । নৰেন্দ্ৰ মোডীয়ে কেতিয়াও এই সাক্ষাৎকাৰ দিছিল বুলি মানি লোৱা নাই । আচলতে খবৰ কাকতৰ কোনো সংবাদদাতাই কোনো সাক্ষাৎকাৰৰ বাবে তেওঁক লগ কৰা নাই । সেইবাবে মই আচৰিত হৈছিলো, যিহেতু সেই সাক্ষাৎকাৰ অনুসৰি মোডীয়ে উক্ত হিংসাৰ সমৰ্থন কৰিছিল । গুজৰাট চৰকাৰে এই সন্দৰ্ভত খবৰ কাকতলৈ এখন পত্ৰ প্ৰেৰণ কৰিছিল যে যিহেতু মোডীক কোনো সংবাদদাতাই সাক্ষাৎ কৰাই নাই তেনে ক্ষেত্ৰত এইয়া প্ৰকাশিত হ'ল কেনেকৈ ? কিন্তু খবৰ কাকতে ২০ দিন পৰ্য্যন্ত কোনো বিবৃত্তি প্ৰকাশ নকৰিলে । তাৰ পাছত এদিন হঠাতে দেখা গ'ল যে সম্পাদকীয় শাখাত স্পষ্টিকৰণ হিচাপে লিখা আছিল - যদিও কোনো সংবাদদাতাই মোডীক সাক্ষাৎ কৰা নাছিল এই সাক্ষাৎকাৰ আচলতে মুখ্যমন্ত্ৰীয়ে বিভিন্ন টি ভি চেনেলত দিয়া মন্তব্যৰ ভিত্তিতহে প্ৰকাশ কৰা হৈছিল ।**

তৃতীয়তে, মুখ্যমন্ত্ৰীৰ বাসগৃহত ২৭/২/২০০২ তাৰিখে হোৱা বৈঠক -

নৰেন্দ্ৰ মোডীৰ বিৰুদ্ধে অসত্যতাৰে প্ৰেৰিত অভিযোগৰ ই তৃতীয় অংশ । মুখ্যমন্ত্ৰীৰ বাসগৃহত অনুষ্ঠিত হোৱা বৈঠকত তেতিয়াৰ মুখ্যমন্ত্ৰীৰ মুখ্য সম্পাদক, ডি যি পি, গৃহ সচীব আৰু অন্যান্য জেষ্ঠ বিষয়া উপস্থিত আছিল । ৰাজ্য চৰকাৰ আৰু পুলিচ বিভাগৰ ৮ জন জেষ্ঠ বিষয়াও তাত উপস্থিত আছিল । তেনে বৈঠকত এচ পি স্তৰৰ বিষয়া সঞ্জীৱ ভট্টৰ দৰে লোকৰ উপস্থিতিৰ কোনো কাৰণ নাছিল । ২০০৬ চনত প্ৰথম বাৰৰ বাবে গুচৰীয়াই অভিযোগ আনিছিল যে নৰেন্দ্ৰ মোডীয়ে সেই বৈঠকত আমোলা বিষয়াক কৈছিল যে হিন্দু সম্প্ৰদায়ৰ লোকসকলক নিজৰ খঙ দেখুৱাব'লৈ সুযোগ দিব লাগে । মুখ্যমন্ত্ৰীয়ে তেনে ধৰণৰ কোনো মন্তব্য দিয়াৰ কথা সম্পূৰ্ণৰূপে অস্বীকাৰ কৰে । ইয়াৰ বিপৰীতে তেওঁ কঠোৰ পদক্ষেপৰ ব্যৱস্থা ল'ব বুলি কোৱাৰ ওপৰিও সকলোকে শান্তি বজাই ৰাখিব'লৈ প্ৰাৰ্থনা কৰিছিল । ৮ বছৰৰ পাছত এতিয়া সঞ্জীৱ ভট্টই অভিযোগ কৰিছে যে তেওঁ সেই বৈঠকত উপস্থিত অছিল যেতিয়া এনে ধৰণৰ উত্তেজনাপূৰ্ণ মন্তব্য দিয়া হৈছিল । এচ আই টি য়ে সেই ৮ জন বিষয়াক পৰীক্ষা কৰে । সকলোৱে সেই কথা অস্বীকাৰ কৰে আৰু সঞ্জীৱ ভট্ট সেই বৈঠকত উপস্থিত নাছিল বুলি কয় । এচ আই টি ৰ অনুসন্ধানতো এইয়া ওলাই পৰে যে কেনেদৰে তথ্যসমূহক নিজৰ মতে সাজি সঞ্জীৱ ভট্টক গান্ধীনগৰত উপস্থিত আছিল বুলি প্ৰমাণিত কৰাৰ চেষ্টা কৰা হৈছিল, অথচ তেওঁ আহমেদাবাদতহে উপস্থিত আছিল । লগতে এচ আই টি য়ে বহুতো অন্যান্য তথ্য লাভ কৰিছিল যি প্ৰমাণিত কৰে যে কেনেদৰে বে-চৰকাৰী সংগঠন, ৰাজ্য কংগ্ৰেছ কমিটিৰ সদস্য আৰু কাৰ্য্যকৰ্ত্তাৰ লগত মিলিত হৈ অভিযোগকাৰীৰ শপথনামা তৈয়াৰ কৰিছিল আৰু তেওঁলোকে কেনেদৰে ৰাজ্য চৰকাৰক অস্থিৰ কৰিব'লৈ ষড়যন্ত্ৰ কৰিছিল । শেষত এচ আই টি য়ে কয় যে সঞ্জীৱ ভট্ট সেই বৈঠকত উপস্থিত নাছিল আৰু মুখ্যমন্ত্ৰীয়ে তেনে কোনো মন্তব্য দিয়া নাছিল আৰু লগতে কয় যে মূখ্যমন্ত্ৰীয়ে সেই সময়ত দিয়া মন্তব্য আচলতে অভিযোগ কৰাৰ বিপৰীতহে আছিল । আদালতৰ বিচাৰকেও এচ আই টি ৰ ধাৰণাক অনুমোদন জনাইছিল ।

এক দশক জুৰি সংবাদ মাধ্যমত এই তিনিটা বিষয়ৰ ওপৰত আলোচনা চলি আছে । যিসকলে অসত্যতাত লগ দিছিল তেওঁলোকে আত্মমন্থন কৰা উচিত । মই সদায় বিশ্বাস কৰো যে, অসত্যতাই সদায় ভাগ-বতৰা কৰে আৰু সত্যই সকলোকে এক কৰি ৰাখে । উপৰোক্ত উদাহৰন ইয়াতকৈ বিস্তৃতভাৱে হ'ব নোৱাৰে ।